**REGIONAL News Unit**

All India Radio, Guwahati

0000000000

**Date : 30**-07-2024

**Time :** 1715Hrs.

***Assamese REGIONAL EVENING Bulletin***

***::::::::::::::::::::::::::::::::::::***

লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি অসমৰ ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে নৱনিযুক্ত ৰাজ্যপালগৰাকীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। লক্ষ্মণপ্ৰসাদ আচাৰ্যক অসমৰ লগতে মণিপুৰৰ ৰাজ্যপাল হিচাপেও অতিৰিক্ত দায়িত্ব দিয়া হৈছে। লক্ষ্মণপ্ৰসাদ আচাৰ্যই ছিকিমৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ইফালে, গুৱাহাটীস্থিত বাজপেয়ী ভৱনত অসমৰ প্ৰাক্তন লোকসভা সাংসদ ৰমেন ডেকাক চত্তিশগড়ৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ বাবে সম্বৰ্ধনা জনোৱা হয়। ৰাজ্যিক বিজেপিৰ নেতা-কৰ্মীসকলে শ্ৰী ডেকাক সম্বৰ্ধনা জনায়।

০০০০০০০০

মৰিগাঁও জিলাই মুখ্যমন্ত্ৰী ডেছ্ বৰ্ডত ষষ্ঠ স্থানলৈ উন্নীত হোৱাৰ লগতে ৰাজ্যৰ ভিতৰতে অন্যতম সফল জিলা হিচাপে পৰিগণিত হৈছে। জিলাসমূহৰ প্ৰদৰ্শন আৰু পাৰদৰ্শিতাৰ ভিত্তিত মুখ্যমন্ত্ৰী ডেছ্ বৰ্ডত থকা ১৬টা বিভিন্ন বিভাগৰ কাম-কাজ আৰু সেৱা মূল্যায়নৰ ভিত্তিত জিলাখনে এই স্থান লাভ কৰিছে। গুৱাহাটী অনুষ্ঠিত হোৱা আয়ুক্তসকলৰ সন্মিলনত এই কথা প্ৰকাশ কৰা হৈছে। পূৰ্বৰ ২৩ সংখ্যক স্থানৰ পৰা শীৰ্ষ ১০খন জিলা তালিকাত অন্তৰ্ভুক্ত হোৱাত স্বাভাৱিকতে মৰিগাঁও জিলাবাসী উৎফুল্লিত হৈ পৰিছে। জিলাসমূহৰ প্ৰদৰ্শন আৰু পাৰদৰ্শিতা নিৰূপণ কৰাৰ লগতে পৰস্পৰৰ মাজত সুস্থ প্ৰতিযোগিতাৰ পৰিবেশ গঢ় দিয়া আৰু ৰাইজৰ বাবে আগবঢ়োৱা সেৱাৰ মান উন্নত কৰিবৰ বাবে মুখ্যমন্ত্ৰী ডেছ্ বৰ্ডত ১৬টা বিভিন্ন বিভাগৰ সেৱা আৰু কাম-কাজৰ মূল্যায়ন কৰা হয়। এই ১৬টা বিভাগৰ ভিতৰত আছে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, বিদ্যালয় শিক্ষা, কৃষি, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিকল্পনা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, জনস্বাস্থ্য কাৰিকৰী বিভাগ, পৰিবহণ, তথ্য প্ৰযুক্তি, আবকাৰী, বিত্ত, মীন, ভূমি সংৰক্ষণ, চিকিৎসা শিক্ষা আৰু গৱেষণা তথা মহিলা আৰু শিশু বিকাশ বিভাগ। ৪০টা বিভিন্ন পৰিমাপকৰ কাম-কাজৰ মূল্যায়নৰ ভিত্তিত ডেছ্ বৰ্ডৰ জিলাসমূহৰ স্থান নিৰূপণ কৰা হৈছে।

০০০০০০০০

দুদিন ধৰি হোৱা নেৰানেপেৰা বষুণৰ ফলত গোলাঘাট জিলাৰ অসম-নাগালেণ্ডৰ মেৰাপানী সীমান্তত বানপানীৰ সৃষ্টি হৈছে। নাগালেণ্ডৰ পৰা নামি অহা পানীয়ে মেৰাপানীৰ চাংখাতি অঞ্চলৰ কেইখনো গাঁও প্লাবিত কৰিছে। চাংখাতি, কল্যাণপুৰ, শান্তিপুৰ, গ্লানপুৰ, দয়ালপুৰকে ধৰি কেইবাখনো গাঁও বানত ডুব গৈছে। শতাধিক পৰিয়ালৰ ঘৰ-দুৱাৰ পানীত ডুব যোৱাৰ লগতে শ শ বিঘা কৃষি ভূমিৰো বিস্তৰ ক্ষতিসাধন হৈছে। বাঢ়নি পানীৰ ফলত চাংখাতি নৈৰ মথাউৰি ভগাৰ ফলত ৰতনপুৰ সংযোগী পথেৰে যাতায়াত ব্যাহত হৈছে।

০০০০০০০০

চিৰাং জিলাৰ বাসুগাঁও গয়বাৰী শ্বহীদ উদ্যানত আজি এবছুৰ উদ্যোগত ২৮ সংখ্যক সন্ত্ৰাসবাদ বিৰোধী দিৱস উদযাপন কৰা হয়। নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ প্ৰাক্তন সভাপতি প্ৰয়াত চৌমলা বসুমতাৰীৰ মৃত্যু তিথিত পালন কৰা এই দিৱসৰ কাৰ্যসূচীত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, এবছুৰ বিষববীয়াসকলৰ লগতে প্ৰয়াত বসুমতাৰীৰ সহধৰ্মীনি ভানুমতী বসুমতাৰী উপস্থিত থাকে। এই অনুষ্ঠানত প্ৰয়াত চৌমলা বসুমতাৰীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

০০০০০০০০

মনু ভাকেৰ আৰু সৰৱজোৎ সিঙে আজি পেৰিছ অলিম্পিকৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড শাখাৰ দলীয় শিতানত ব্ৰঞ্জৰ পদক লাভ কৰে। ভাৰতীয় শ্বুটাৰ যুঁটীটোৱে কোৰিয়াৰ পুৰুষ-মহিলাৰ শ্বুটাৰ দলটোক ১৬-১০ পইণ্টৰ ব্যৱধানত ব্ৰঞ্জৰ পদকৰ বাবে হোৱা যুঁজত পৰাস্ত কৰে। মনু ভাকেৰে এই পদক লাভেৰে একেখন অলিম্পিকতে দুটাকৈ পদক জয় কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে অভিলেখ ৰচিলে। মনু ভাকেৰে ইয়াৰ পূৰ্বে দেওবাৰে মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টল ইভেণ্টত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ভাৰতৰ পি ভি সিন্ধু আৰু মল্লযোদ্ধা সুশীল কুমাৰে অলিম্পিকত দুটাকৈ পদক জয় কৰিছে যদিও দুয়োগৰাকী ভাৰতীয় অলিম্পিয়ানে দুটা পৃথক অলিম্পিকত দুটা পদক অৰ্জন কৰিছিল।

মনু ভাকেৰ আৰু সৰৱজোৎ সিঙৰ পদক লাভে পেৰিছ অলিম্পিকত ভাৰতৰ পদকৰ সংখ্যা দুটালৈ বৃদ্ধি কৰিলে। ভাৰতীয় এথলিট দুগৰাকীয়ে ব্ৰঞ্জৰ পদক জয় কৰাৰ পাছতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে খেলুৱৈ দুগৰাকীক অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যমৰ বাৰ্তাযোগে কয় যে, প্ৰথমগৰাকী মহিলা শ্বুটাৰ হিচাপে একেখন অলিম্পিকতে দুটাকৈ পদক জয়েৰে মনু ভাকেৰে ইতিহাস ৰচিলে। তেওঁৰ এই জয়ে সমগ্ৰ জাতিকে গৌৰৱান্বিত কৰি তুলিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও মনু ভাকেৰ আৰু সৰৱজোৎ সিঙক অভিনন্দন জনাই কয় যে, ভাৰতীয় শ্বুটাৰে দেশক নিৰন্তৰভাৱে গৌৰৱান্বিত কৰি আহিছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অডিচনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য্য কাৰণবশতঃ অহা ২ আগষ্টৰ পৰা অনুষ্ঠিত হ'বলগীয়া পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা

২০ ছেপ্তেম্বৰলৈকে এই অ'ডিচন সম্পন্ন হ'ব। নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাইগ্ৰেডৰ বাবেও একেলগে অডিচন সম্পন্ন হ'ব। প্ৰাৰ্থীসকললৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱা হ'ব আৰু প্ৰত্যেকৰে ম'বাইলত অডিচনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয় তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ্-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকলৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

oooooooo

ঃসমাপ্তঃ